# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 23-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

অম্বুবাচী মহাযোগৰ আজি দ্বিতীয় দিনাও গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশ অব্যাহত আছে। দুপৰীয়া ভাগত অহা দোপালপিটা বৰষুণৰ মাজতো মন্দিৰত ভক্তৰ সমাগমৰ হীনদেঢ়ি হোৱা নাই। দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীৰ সৰ্বত্ৰ আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে। প্ৰবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ বন্ধ হোৱাৰ লগে লগে তান্ত্ৰিক সাধনমাৰ্গত বিশ্বাস কৰা ভালেসংখ্যক সাধু-সন্যাসীয়ে ধ্যানত মগ্ন হোৱা পৰিলক্ষিত হৈছে।

অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তকে ধৰি আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে মন্দিৰৰ চৌহদত বাহৰ পাতি পৰিস্থিতি তদাৰক কৰি আছে। বাহিৰৰ পৰা অহা ভক্তসকলৰ বাবে পাণ্ডু নদী বন্দৰ আৰু কামাখ্যা ৰে'ল ষ্টেচনত দুটা শিবিৰ স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব।

ooooo

অসম দক্ষতা বিকাশ অভিযানৰ অন্তৰ্গত উত্তৰ-পূব দক্ষতা কেন্দ্ৰই অনুসূচিত জাতিৰ যুৱক-যুৱতীসকলৰ বাবে এটা বিনামূলীয়া বৃত্তিমূলক প্ৰশিক্ষণৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছে। অসম দক্ষতা বিশ্ববিদ্যালয়ৰ অধীনৰ এবছৰীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে আবেদনৰ অন্তিম তাৰিখ ৩১ জুলাই ধাৰ্য কৰা হৈছে। নামভৰ্তিৰ ক্ষেত্ৰত প্ৰথমে অহা সকলক প্ৰথমে নামভৰ্তিৰ সুবিধা দিয়া হ'ব। প্ৰাৰ্থীসকলে যিকোনো শাখাত দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব আৰু তেওঁলোকৰ বয়স ১৮ৰ পৰা ২৫ বছৰ হ'ব লাগিব। বৃত্তিমূলক প্ৰশিক্ষণ কাৰ্যসূচীটোত সৌন্দৰ্য আৰু স্বাস্থ্য, খুচৰা বিক্ৰী সেৱা, খাদ্য আৰু পানীয় সেৱা, গৃহ ব্যৱস্থাপনা ইত্যাদি ক্ষেত্ৰসমূহত প্ৰশিক্ষণ দিয়া হ'ব। ছিংগাপুৰৰ এটা বৃত্তিমূলক শিক্ষণ প্ৰতিষ্ঠানৰ সহযোগিতাত প্ৰস্তুত কৰা এই পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পাছত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিয়োগৰ বাবে যাৱতীয় সুবিধা দিয়া হ'ব বুলি উত্তৰ-পূব দক্ষতা কেন্দ্ৰই জানিবলৈ দিছে। ১ আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া পাঠ্যক্ৰমত প্ৰশিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়াকৈ থকা-খোৱাৰ সুবিধা থাকিব। অধিক তথ্যৰ বাবে ইচ্ছুক ব্যক্তিয়ে ৮০১১৮৮২০৫২ অথবা ৮০১১৬৬৫৫২৪ নম্বৰত যোগাযোগ কৰিব পাৰিব।

ooooo

কোকৰাঝাৰ জিলাৰ নয়েক গাঁৱৰ কাক্ৰিকোলা খেলপথাৰত আজি চৰকাৰে হিতাধিকাৰীসকলৰ মাজত আৰ্থ-সামাজিক সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰে। এই অনুষ্ঠানৰ মূল উদ্দেশ্য হৈছে চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ সৈতে জনসাধাৰণক পোনপটীয়াকৈ জড়িত কৰোৱাৰ লগতে চৰকাৰৰ মূল পদক্ষেপসমূহৰ

বিষয়ে সজাগতা সৃষ্টি কৰা। ইয়াৰ উপৰি তৃণমূল পৰ্যায়ত আঁচনিসমূহৰ ৰূপায়ণ আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে পৰ্যালোচনা কৰা। অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী, কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, পাৰিষদ মাধৱ চেত্ৰী, কোকৰাঝাৰ পৌৰসভাৰ অধ্যক্ষৰ লগতে বি টি আৰ প্ৰশাসনৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে চৰকাৰৰ উন্নয়নমূলক পদক্ষেপসমূহত আলোকপাত কৰে। তেওঁ কয় যে বি টি আৰত চৰকাৰে অঞ্চলটোৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়নৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি মুকলি কৰিছে। এই আঁচনিসমূহে যাতে সমাজৰ প্ৰতিটো স্তৰৰ জনসাধাৰণৰ উন্নয়নত সহায় কৰিব পাৰে তাৰ বাবে বি টি আৰ প্ৰশাসনৰ প্ৰতিশ্ৰুতিক তেওঁ নিশ্চিত কৰিছে।

০০০০০

খাদ্য আৰু অসামৰিক বিভাগে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ সকলো হিতাধিকাৰীৰ অহা ৩০ জুনৰ ভিতৰত E-KYC পৰীক্ষণ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ নিৰ্দেশ মৰ্মে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে জিলাখনৰ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ সকলো হিতাধিকাৰীৰ E-KYC পৰীক্ষণৰ বাবে বিশেষকৈ চাহ বাগিচা অঞ্চলৰ সুলভ মূল্যৰ দোকানসমূহত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে কালি জিলাখনৰ কেইবাখনো চাহ বাগিছা অঞ্চলৰ সুলভ মূল্যৰ দোকানত E-KYC পৰীক্ষণৰ বিশেষ শিবিৰৰ আয়োজন কৰা হয়।

০০০০০

গুৱাহাটীৰ চানমাৰি ক'লনী নিবাসী তথা অসম ৰাজ্যিক সংগ্ৰহালয়ৰ প্ৰাক্তন বিষয়া বন্তি দেৱী কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুমুখত পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ।

০০০০০

আন্তৰ্জাতিক অলিম্পিক দিৱস উপলক্ষে অসম অলিম্পিক সন্থাৰ উদ্যোগত তেজপুৰত সমূহীয়া অলিম্পিক দৌৰৰ আয়োজন কৰা হয়। তেজপুৰৰ প'ল' ফিল্ডৰ পৰা আৰম্ভ হোৱা, প্ৰায় এহেজাৰ  গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই দৌৰৰ সন্থাৰ সভাপতি আৰু কেন্দ্ৰীয় জলপথ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে পতাকা জোকাৰি শুভাৰম্ভ কৰে। অলিম্পিক দিৱস উপলক্ষে প'ল' ফিল্ডত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে অলিম্পিক শিখা প্ৰজ্বলন কৰি এই কাৰ্যসূচী আৰম্ভ কৰে। কাৰ্যসূচীত অঞ্চলটোৰ বহুসংখ্যক ক্ৰীড়া প্ৰেমী, খেলুৱৈ আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা কাৰ্যসূচীটোত ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, দৌৰবিদ হিমা দাস, লোকসভাৰ সাংসদ ৰঞ্জিত দত্ত, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ তথা সভাপতি লৰেঞ্চ ইছলাৰী, স্থানীয় বিধায়ক পৃথিৰাজ ৰাভা উপস্থিত থাকে। অলিম্পিক দিৱস উদযাপনে জনসাধাৰণলৈ মাজত ক্ৰীড়া, সুস্বাস্থ্য আৰু সম্প্ৰীতিৰ বাৰ্তা প্ৰেৰণ কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত